**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ব্ৰাটিস্লাভাত শ্ল'ভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰীনিৰ সৈতে মুখামুখি আলোচনাত অংশগ্ৰহণ কৰে।

২। নতুন দিল্লীত আজি আয়োজিত এটা অনুষ্ঠানত আয়ুস্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব।

৩। কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী পোষণ শক্তি নিৰ্মাণ আঁচনিৰ অধীনত সামগ্ৰী ব্যয়ৰ হাৰ ৯ দশমিক ৫ - ০ শতাংশ বৃদ্ধি কৰিছে।

৪। ২০২৮ চনৰ LOS ANGELES OLYMPIC-ত হ'বলগীয়া ক্ৰিকেট প্ৰতিযোগিতাত টী-২০ পদ্ধতি অনুসৰণ কৰা হ'ব বুলি আই অ' চিয়ে ঘোষণা কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ এখন খেলত ডেলহি কেপিটেলছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি ব্ৰাটিস্লাভাত শ্ল'ভাকিয়াৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰীনিৰ সৈতে মুখামুখি আলোচনাত অংশগ্ৰহণ কৰে। দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশৰ লগতে গোলকীয় আৰু আঞ্চলিক বিষয়ৰ পাৰস্পৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয় লৈ মত বিনিময় কৰে। এই সাক্ষাৎকালত তেওঁলোকৰ মাজত দুখন বুজাবুজিৰ চুক্তি সম্পাদিত হয়। শ্ৰীমতী মুৰ্মুৱে দ্ৰুত সম্প্ৰসাৰিত, সংবাদ মাধ্যম, মনোৰঞ্জন আৰু সৃজনশীল অৰ্থ ব্যৱস্থা খণ্ডত দুয়ো দেশৰ মাজত সহযোগিতাৰ অপাৰ সম্ভাৱনা আছে বুলি উল্লেখ কৰে।

ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে শ্ল'ভাকিয়াৰ প্ৰধানমন্ত্ৰী ৰ'ৱাৰ্ট ফিকো আৰু দেশখনৰ সংসদ নেচনেল কাউন্সিলৰ অধ্যক্ষ ৰিচাৰ্ড ৰাছিকো সাক্ষাৎ কৰে।

শ্ল'ভাকিয়া ভ্ৰমণৰ দ্বিতীয় দিনটোত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ উদ্যোগত আয়োজিত কেইবাটাও অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তদুপৰি তেওঁ জাগুৱাৰ লেণ্ডৰ'ভাৰৰ ফেক্টৰী পৰিদৰ্শন কৰাৰ লগতে ভাৰতীয় বাণিজ্যিক সংস্থাৰ প্ৰতিনিধিৰ সৈতেও মত বিনিময় কৰিব।

০০০০০

নতুন দিল্লীত আজি আয়োজিত এটা অনুষ্ঠানত আয়ুস্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ব। এই আঁচনিয়ে প্ৰতি বছৰে দেশৰ প্ৰতিটো হিতাধিকাৰী পৰিয়াললৈ ৫ লাখ টকা পৰিমাণৰ বিনামূলীয়া স্বাস্থ্য সেৱাৰ সুবিধা আগবঢ়াব। উল্লেখযোগ্য যে দিল্লী চৰকাৰে এই আঁচনিৰ অধীনতে প্ৰতিটো পৰিয়াললৈ অতিৰিক্ত ৫ লাখ টকাকৈ আগবঢ়োৱাৰ সিদ্ধান্ত ঘোষণা কৰিছে। আজি আয়োজিত এই অনুষ্ঠানত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগৎ প্ৰকাশ নাড্ডা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানত তেওঁলোকে হিতাধিকাৰীসকলৰ মাজত আয়ুস্মান কাৰ্ড বিতৰণ কৰিব।

উল্লেখযোগ্য যে এই আঁচনি কাৰ্যকৰী কৰাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য প্ৰাধিকৰণে দিল্লী চৰকাৰৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছিল।

০০০০০০০০০

কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী পোষণ শক্তি নিৰ্মাণ আঁচনিৰ অধীনত সামগ্ৰী ব্যয়ৰ হাৰ ৯ দশমিক ৫ - ০ শতাংশ বৃদ্ধি কৰিছে। এই আঁচনিৰ অধীনত চৰকাৰী আৰু চৰকাৰী সাহায্য লাভ কৰা বিদ্যালয়সমূহত প্ৰাক-প্ৰাথমিক আৰু প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ

অধ্যয়নৰত ১১ কোটিৰো অধিক ছাত্র-ছাত্রীক বিদ্যালয়তে প্রস্তুত কৰা আহাৰ পৰিৱেশন কৰা হয়। কেন্দ্রীয় শিক্ষা মন্ত্রালয়ে সামগ্রী ব্যয়ৰ এই নতুন হাৰ অহা ১ মে'ৰ পৰা সকলো ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলত প্রযোজ্য হ'ব বুলি প্রকাশ কৰিছে। ২০২৫-২৬ বর্ষত এই বর্ধিত হাৰৰ ফলত হোৱা ৯৫৪ কোটি টকাৰ অতিৰিক্ত ব্যয় কেন্দ্রীয় চৰকাৰে বহন কৰিব। তদুপৰি এই আঁচনিৰ অধীনত কেন্দ্রীয় চৰকাৰে ভাৰতীয় খাদ্য নিগমৰ জৰিয়তে বিদ্যালয়সমূহলৈ ২৬ লাখ মেট্রিকটন খাদ্য সামগ্রীৰ যোগান ধৰিছে বুলি মন্ত্রালয়ে উল্লেখ কৰিছে। উল্লেখযোগ্য যে চৰকাৰে ১০০ শতাংশ পৰিবহণ ব্যয় আৰু প্রতিবছৰে প্রায় ৯ হাজাৰ কোটি টকাৰ ৰাজ সাহায্যকে ধৰি খাদ্য সামগ্রী যোগানৰ ১০০ শতাংশ ব্যয় বহন কৰে।

০০০০০০০০০

জম্মু-কাশ্মীৰত নতুনকৈ হোৱা ভূমিস্খলনৰ বাবে ঐতিহাসিক মোগল পথ মুকলি কৰি দিয়াত পলম হৈছে। অহা দুই-এদিনৰ ভিতৰতে এই পথটো যাতায়াতৰ বাবে মুকলি কৰি দিয়াৰ সম্ভাৱনা আছে। ঐতিহাসিক মোগল পথক জম্মু খণ্ডৰ দুখন সীমান্ত জিলা ৰজৌৰী আৰু পুঞ্চক কাশ্মীৰ খণ্ডৰ শ্ব'পিয়ান জিলাৰ সৈতে সংযোজিত কৰাৰ বিকল্প ৰাষ্ট্রীয় ঘাইপথ হিচাপে ব্যৱহাৰ কৰা হয়। আজি এই পথটো মুকলি কৰি দিয়াৰ সম্ভাৱনা আছিল যদিও পুঞ্চ জিলাৰ বিভিন্ন অংশত ভূমিস্খলন হোৱাৰ ফলত জিলা প্রশাসনে অহা দুই-এদিনৰ ভিতৰতহে পথটো মুকলি কৰি দিয়াৰ সম্ভাৱনা প্রকাশ কৰিছে। সীমান্ত পথ সংস্থাই দুদিন পূর্বে পুঞ্চ জিলাৰ পৰা পীৰ কি গলি অঞ্চললৈকে এই পথছোৱা সম্পূর্ণ কৰি তুলিছিল। ছুৰানকোটেৰ উপ-জিলা দণ্ডাধীশ ফাৰুক খানে বতৰ অনুকুল হ'লে কাইলৈ এই পথটো মুকলি কৰি দিয়া হ'ব বুলি প্রকাশ কৰিছে।

০০০০০০০০০

আজি মহাবীৰ জয়ন্তী। ২৪ সংখ্যক তথা শেষৰ জন জৈন তীর্থংকৰ ভগৱান মহাবীৰৰ জন্মবার্ষিকী দেশৰ বিভিন্ন অংশত উলহ-মালহেৰে উদযাপন কৰা হৈছে। জৈন ধর্মাৱলম্বীলোকসকলৰ বাবে এই দিনটো অতিকৈ পৱিত্র বুলি গণ্য কৰা হয়।

প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে মহাবীৰ জয়ন্তী উপলক্ষে জৈন ধর্মাৱলম্বী লোকসকললৈ ওলগ জনাইছে। সামাজিক মাধ্যমৰ এটা বার্তাত শ্রী মোদীয়ে কয়, যে প্রভু মহাবীৰৰ আদর্শই সমগ্র বিশ্বৰ অগণন লোকক অনুপ্রাণিত কৰি আহিছে। জৈন সম্প্রদায়ৰ লোকসকলে মহাবীৰৰ ৰচনাসমূহক সুন্দৰভাৱে সংৰক্ষিত কৰি আহিছে বুলি উল্লেখ কৰি শ্রী মোদীয়ে কয়, যে ধর্মগুৰুগৰাকীৰ দর্শনসমূহ ৰূপায়ণ কৰিবলৈ চৰকাৰ প্রতিশ্রুতিবদ্ধ।

অসমতো জৈন ধর্মাৱলম্বী লোকসকলে ধর্মগুৰুগৰাকীৰ জয়ন্তী উলহ-মালহেৰে পালন কৰিছে। মহাবীৰ জয়ন্তী উপলক্ষে অসমৰ মুখ্যমন্ত্রী ড° হিমন্ত বিশ্ব শর্মাই ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মহাবীৰৰ নৈতিক শিক্ষা আৰু আদর্শ স্মৰণেৰে জীৱনত আগবাঢ়ি যাবলৈ মুখ্যমন্ত্রীগৰাকীয়ে সকলোকে আহ্বান জনাইছে।

০০০০০০০

ডমিনিক গণৰাজ্যৰ ৰাজধানী ছাণ্ট' ডমিংগ'ৰ এটা নাইট ক্লাবত যোৱানিশা এখন চাঁদ খহি পৰাৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১৮৪ লৈ বৃদ্ধি পাইছে। ঘটনাস্থলীত এতিয়াও উদ্ধাৰকার্য অব্যাহত আছে। বর্তমানলৈকে ১৪৫ জন লোকক উদ্ধাৰ কৰা হৈছে আৰু ২০ জনৰো অধিক আঘাতপ্রাপ্ত লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। উল্লেখযোগ্য যে যোৱানিশা নাইট ক্লাবটোত জনপ্রিয় মেৰেংগু গায়িকা ৰুবী পেৰেজে অনুষ্ঠান পৰিৱেশন কৰি থকাৰ সময়তে ক্লাবটোৰ এখন চাঁদ খহি পৰে। এই দুর্ঘটনাত ৬৯ বছৰীয়া শিল্পীগৰাকীৰো মৃত্যু হৈছে। ভালেসংখ্যক ৰাজনীতিক, এথলিট আৰু অন্যান্য বিশিষ্ট ব্যক্তি এই অনুষ্ঠানত উপস্থিত আছিল বুলি দেশখনৰ সংবাদ মাধ্যমে প্রকাশ কৰিছে।

০০০০০০০০০

কেন্দ্রীয় চৰকাৰে মুম্বাইত সংঘটিত ২৬-১১ৰ সন্ত্রাসবাদী আক্রমণৰ ঘটনাৰ মূল অভিযুক্ত তাহাবুৰ ৰানাৰ বিচাৰ আৰু আনুসংগিক গোচৰৰ বাবে নৰেন্দৰ মানক বিশেষ চৰকাৰী অধিবক্তা হিচাপে নিযুক্তি দিছে। কেন্দ্রীয় গৃহ মন্ত্রালয়ে প্রকাশ কৰা মতে,

ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই এৰ দিল্লীৰ বিশেষ আদালতকে ধৰি সংশ্লিষ্ট আদালতসমূহত অনুসন্ধানকাৰী সংস্থাটোৰ হৈ অংশগ্ৰহণ কৰাৰ বাবে নৰেন্দৰ মানক ৩ বছৰৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছে। অভিযুক্ত সন্ত্ৰাসবাদীজন আজি ভাৰতত উপস্থিত হোৱাৰ সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে তাহাৱুৰ ৰানাক ভাৰতলৈ প্ৰত্যৰ্পণৰ বিৰোধিতাৰে অভিযুক্ত লোকজনে আকৌ এবাৰ জনোৱা আবেদন আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চতম ন্যায়ালয়ে অগ্ৰাহ্য কৰাৰ পাছত অৱশেষত তাহাৱুৰক ভাৰতলৈ অনাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০০০

২০২৮ চনৰ LOS ANGELES OLYMPIC-ত হ'বলগীয়া ক্ৰিকেট প্ৰতিযোগিতাত টী-২০ পদ্ধতি অনুসৰণ কৰা হ'ব। এই প্ৰতিযোগিতাৰ পুৰুষ আৰু মহিলা উভয় শাখাতে ছটাকৈ দলে অংশগ্ৰহণ কৰিব। আন্তঃৰাষ্ট্ৰীয় অলিম্পিক সমিতি – আই অ' চিৰ কাৰ্যবাহী পৰিষদে কালি অনুষ্ঠিত এখন বৈঠকত LOS ANGELES OLYMPIC-ত স্থান লাভ কৰিবলগীয়া বিভিন্ন প্ৰতিযোগিতাৰ ক্ষেত্ৰত অনুমোদন জনায়। আয়োজকসকলে ঘোষণা কৰা মতে, পুৰুষ আৰু মহিলা উভয়ৰে বাবে মুঠ ৯০ গৰাকীকৈ খেলুৱৈৰ দলৰ অংশগ্ৰহণত অনুমোদন জনোৱা হ'ব। অলিম্পিকৰ অংশ হিচাপে আয়োজিত ক্ৰিকেট প্ৰতিযোগিতাৰ স্থানসমূহ বৰ্তমানলৈ চূড়ান্ত কৰা হোৱা নাই।

উল্লেখযোগ্য যে আসন্ন অলিম্পিক প্ৰতিযোগিতাৰ তালিকাত ৫ বিধ খেল নতুনকৈ অন্তৰ্ভুক্ত কৰা হৈছে। আই অ' চিয়ে দুবছৰ পূৰ্বে ক্ৰিকেটৰ লগতে বেছবল অথবা ছফ্‌টবল, ফ্লেগ ফুটবল, লেক্ৰ'ছ-ছিক্স আৰু স্কোৱাছ খেলক অলিম্পিকত অন্তৰ্ভুক্ত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ডেলহি কেপিটেলছ ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

গুজৰাট টাইটানছে যোৱানিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৫৮ ৰানত পৰাস্ত কৰে। ৰাজস্থান ৰয়েলছে ২১৮ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ২১৭ ৰান কৰে। গুজৰাটৰ হৈ ছাই সুদৰ্শনে ৫৩টা বলত ৮২ ৰান কৰে। সুদৰ্শনক প্লেয়াৰ অব্ দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। এই জয়ৰ সুবাদত গুজৰাট প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষলৈ উন্নীত হৈছে। ৰাজস্থান ৰয়েলছ সপ্তম স্থানত আছে।

০০০০০

ভাৰতৰ ধ্ৰুৱ কপিলা আৰু তনিছা ক্ৰাষ্টৰ যুটিটো চীনৰ নিংবোত অনুষ্ঠিত এছিয়া চেম্পিয়নশ্বিপ বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰতীয় যুটিটো আজি মিক্সড ডাবলছৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথমখন খেলত চীনা টাইপেৰ ৰং ৰেই য়ে আৰু নিক'লে গঞ্জালেছ ছানৰ হাতত ১২-২১ ৰ ব্যৱধানত পৰাজিত হয় যদিও পৰৱৰ্তী দুখন খেলত ২১-১৬ আৰু ২১-১৮ ব্যৱধানত জয়ী হয়।

ইপিনে, মহিলাৰ ছিংগল্‌ছত দুবাৰকৈ অলিম্পিকৰ পদক বিজেতা পি ভি সিন্ধু জাপানৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে পৰাস্ত হৈছে।

০০০০০

সমাপ্ত